**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। বিৰোধী পক্ষই বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদন আজি পুনৰ স্থগিত ৰাখিবলগীয়া হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি আই আই টি - আই এছ্ এম, ধানবাদৰ ৪৫ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বাৰানসীত প্ৰায় দুহেজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৪। এন পি চি আয়ে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ কেতবোৰ নতুন ইউ পি আই নীতি ৰূপায়ণ কৰিছে।

*আৰু*

৫। লণ্ডনৰ কেনিংটন অভেলত অনুষ্ঠিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ কালি প্ৰথম দিনা সংগ্ৰহ কৰা ২০৪ ৰাণৰ পৰা ভাৰতে আজিৰ দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

০০০০০০০

বিৰোধী পক্ষই বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদন আজি পুনৰ স্থগিত ৰাখিবলগীয়া হয়। ৰাজ্যসভাত দুপৰীয়া ১২ বজাত প্ৰথমবাৰ স্থগিতকৰণৰ পাছত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় সন্দৰ্ভত আলোচনাৰ দাবী জনাই শ্ল'গান দিবলৈ আৰম্ভ কৰে। সেই সময়ত সভাপতিৰ আসনত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আগবঢ়াই নিবলৈ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে সদনৰ কাম-কাজ ব্যাহত হয়। এনে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত সভাপতিয়ে দিনটোৰ বাবে সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে। আনহাতে এই হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ডিজিটেল গাইগুটীয়া ডাটা সুৰক্ষা - ডি পি ডি পি আইন, ২০২৩ৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰদান কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত প্ৰথমবাৰৰ বাবে সদন মিলিত হোৱাৰ সময়ত উচ্চ সদনৰ উপ-সভাপতি হৰি বংশে কয়, যে তেওঁ ভিন ভিন ৰাজনৈতিক দলৰ পৰা বিভিন্ন বিষয় সন্দৰ্ভত লাভ কৰা ৩০ খন স্থগিতকৰণৰ জাননী খাৰিজ কৰে। বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ প্ৰসঙ্গক লৈ আলোচনাৰ বাবে বিৰোধী পক্ষৰ সাংসদসকলে উত্থাপন কৰা দাবী সন্দৰ্ভত উপ-সভাপতিগৰাকীয়ে কয় যে এই বিষয়ত আলোচনাৰ বাবে তেওঁ অনুমতি প্ৰদান কৰিব নোৱাৰে। নিৰ্বাচন আয়োগ এটা সাংবিধানিক সংস্থা হোৱাৰ লগতে বিষয়টো আদালতত বিচাৰাধীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত ইয়াক লৈ আলোচনা কৰাটো সম্ভৱপৰ নহয় বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ বিৰোধী পক্ষৰ সদস্যসকলক নিজ নিজ আসনলৈ উভতি গৈ

সংসদৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ আহ্বান জনায়। তৎসত্ত্বেও হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত উপ-সভাপতিগৰাকীয়ে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

লোকসভাত দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় উঠাই লোৱাৰ দাবীৰে সদনৰ মজিয়ালৈ উঠি আহি ধ্বনি দিবলৈ আৰম্ভ কৰে। অধ্যক্ষগৰাকীয়ে প্ৰশ্নকালৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু বিৰোধী পক্ষই ইয়াত অংশগ্ৰহণ কৰাটো জৰুৰী বুলি মত প্ৰকাশ কৰি বিৰোধী সাংসদসকলক সহযোগ কৰিবলৈ অনুৰোধ জনায়। বিৰোধী পক্ষৰ সাংসদসকলৰ আচৰণত উদ্বেগ প্ৰকাশ কৰি তেওঁ লগতে কয় যে এই গুৰুত্বপূৰ্ণ প্ৰশ্নকালে গণতন্ত্ৰক শক্তিশালী কৰিব। কিন্তু বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ধানবাদস্থিত ভাৰতীয় খনি বিদ্যালয়, আই আই টি - আই এছ এম, ধানবাদৰ ৪৫ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। দুদিনীয়া ভ্ৰমণসূচীৰে ঝাৰখণ্ডলৈ যোৱা ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ ভ্ৰমণসূচীৰ দ্বিতীয়টো দিনত আজি এই অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে প্ৰতিষ্ঠানটোত স্থাপন কৰা অটল উদ্ভাৱন কেন্দ্ৰত আয়োজিত এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ তেওঁৰ সংসদীয় সমষ্টি বাৰানসী ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ প্ৰায় দুহেজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। সমষ্টিটো ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে এখন জনসভাতো ভাষণ দিব। এই অনুষ্ঠানতেই শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনৰ কুৰি সংখ্যক কিস্তিৰ ধন আনুষ্ঠানিকভাৱে মুকলি কৰি দিব। এই ব্যৱস্থাৰ জৰিয়তে প্ৰায় ২০ হাজাৰ ৫০০ কোটি টকা কৃষকসকলৰ বেংক একাউণ্টলৈ মোকলাই দিয়া হ'ব আৰু ইয়াৰ ফলত দেশৰ বিভিন্ন ৰাজ্যৰ ৯ কোটি ৭০ লাখ গৰাকী কৃষক উপকৃত হ'ব।

০০০০০০

নিৰ্বাচন আয়োগে বিশেষ বিস্তৃত সংশোধন উদ্যমৰ অধীনত আজি বিহাৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰিব। খচৰা ভোটাৰ তালিকা প্ৰকাশৰ পূৰ্বে দিয়া এটা বাৰ্তাত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেচ কুমাৰে ভোটাৰ তালিকাৰ ভৌতিক আৰু ডিজিটেল প্ৰতিলিপি ৰাজ্যখনৰ ৩৮ খন জিলাত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহক প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিহাৰৰ মুখ্য নিৰ্বাচনী বিষয়া আৰু ২৪৩ গৰাকী নিৰ্বাচনী বিষয়াই ভোটদাতা আৰু স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহক নিৰ্বাচন তালিকাৰ বিসংগতি তথা এই সন্দৰ্ভত কিবা আপত্তি থাকিলে তাক দৰ্শোৱাৰ সুযোগ দিব। আজিৰে পৰা পহিলা ছেপ্তেম্বৰলৈ ওজৰ-আপত্তি দাখিল কৰিব পৰা যাব।

০০০০০০

এন পি চি আয়ে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ কেতবোৰ নতুন ইউ পি আই নীতি ৰূপায়ণ কৰিছে। এই নীতি অনুসৰি ধনৰ প্ৰত্যেকবাৰ লেনদেনৰ পূৰ্বে গ্ৰাহকে প্ৰেৰকৰ নাম জানিব পাৰিব। প্ৰতিটো

ইউ পি আই এপে দিনটোত গ্ৰাহকক নিজৰ বেংকত জমাধনৰ সৰ্বিশেষ ৫০ বাৰকৈ জনোৱাৰ অনুমতি দিছে। অৱশ্যে ব্যস্ততাপূৰ্ণ সময়ত ইউ পি আয়ে গ্ৰাহকৰ এই অনুৰোধ সীমিত বা বন্ধ কৰিবও পাৰে। ধনৰ লেনদেনৰ স্বয়ংক্ৰিয় প্ৰক্ৰিয়াও এন পি চি আয়ে ব্যস্ততা নথকা সময়তহে প্ৰক্ৰিয়াকৰণ কৰিব। গ্ৰাহকসকলে এতিয়াৰে পৰা মোবাইল নম্বৰৰ সৈতে সংযোগ থকা বেংকৰ তালিকাও চাব পাৰিব। গ্ৰাহকসকলে নিজৰ লেনদেনৰ বিষয়ে জানিবলৈ ৯০ ছেকেণ্ডৰ ব্যৱধানত তিনিবাৰকৈ চাব পাৰিব।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাৰ মাণ্ডি উপত্যকালৈ শ্ৰী বুদ্ধ অমৰনাথ যাত্ৰাৰ বাবে আজি ত্ৰয়োদশ দিনটোতো তীৰ্থযাত্ৰীসকলৰ যাত্ৰা অব্যাহত আছে। আজি পুৱাৰ ভাগত এহেজাৰ ৩৫২গৰাকী তীৰ্থযাত্ৰীৰ এটা দলে ভাগৱতী নগৰ শিবিৰৰ পৰা অমৰনাথলৈ  যাত্ৰা কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে এই তীৰ্থযাত্ৰীৰ দলটোত ৪৯২গৰাকী পুৰুষ, ৪৩৪গৰাকী মহিলা আৰু ২৬টি শিশু আছে। দলটোক ২৭খন গাড়ীৰে পুঞ্চ জিলাৰ মাণ্ডিলৈ লৈ যোৱা হৈছে। ইপিনে, আজি জম্মুৰ পৰা কোনো নতুন তীৰ্থযাত্ৰীৰ দল অমৰনাথ যাত্ৰালৈ ৰাওনা হোৱা নাই। এইবেলি অমৰনাথ যাত্ৰালৈ যোৱা তীৰ্থযাত্ৰীৰ সংখ্যাই ৪ লাখ অতিক্ৰম কৰিছে।

উল্লেখযোগ্য যে সমগ্ৰ ভাৰতৰ পৰা পৱিত্ৰ শাওণ মাহত ভগৱান মহাদেৱৰ আশীষ বিচাৰি তীৰ্থযাত্ৰীসকলে অমৰনাথ যাত্ৰা কৰে।

০০০০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কালি ভাৰত আৰু ইউৰোপীয় সংঘৰ ২৭খন সদস্য-ৰাষ্ট্ৰৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ আৰোপ কৰা শুল্ক বিষয়ক এখন কাৰ্যকৰী নিৰ্দেশনাত স্বাক্ষৰ কৰিছে। ট্ৰাম্পৰ এই নিৰ্দেশনাত পাৰস্পৰিক শুল্কৰ হাৰ উন্নীতকৰণ হিচাপে নামাকৰণ কৰা হৈছে। অহা ৭ আগষ্টৰ পৰা ৪১ শতাংশ হাৰ বৃদ্ধিৰে এই ব্যৱস্থা কাৰ্যকৰী হ'ব। এই শুল্কনীতি হৈছে অনৈতিক বাণিজ্য ঘাটি আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰত্যাহ্বান বুলি কৰা ড'নাল্ড ট্ৰাম্পৰ ঘোষণাৰ অংশবিশেষ। চিৰিয়াৰ ক্ষেত্ৰত ৪১ শতাংশ, লাওচ আৰু ম্যানমাৰৰ ক্ষেত্ৰত ৪০ শতাংশ, ছাৰ্বিয়া, কানাডা আৰু ইৰাকৰ ক্ষেত্ৰত ৩৫ শতাংশ, ছুইজাৰলেণ্ডৰ ক্ষেত্ৰত ৩৯ শতাংশ শুল্ক আৰোপ কৰা হৈছে। ভাৰতৰ ক্ষেত্ৰত ২৫ শতাংশ আৰু পাকিস্তানৰ ক্ষেত্ৰত ১৯ শতাংশ শুল্ক আৰোপ কৰা হৈছে। আজিৰ পৰাই এই শুল্ক নীতি কাৰ্যকৰী হোৱা কথা আছিল যদিও অহা ৭ আগষ্টৰ পৰাহে এই ব্যৱস্থা কাৰ্যকৰী হ'ব বুলি জানিব পৰা গৈছে।

০০০০০০০০০

ইজৰাইলী যুদ্ধবিমানে হিজবুল্লা গোটৰ ঘাটিসমূহক লক্ষ্য হিচাপে লৈ পূব আৰু দক্ষিণ লেবাননৰ ভালেমান ঠাইত ব্যাপক আক্ৰমণ সংঘটিত কৰিছে। এই সন্দৰ্ভত ইজৰাইলী প্ৰতিৰক্ষা বাহিনী আই ডি এফ-এ এটা বিবৃতিত প্ৰকাশ কৰা মতে পূব লেবাননৰ বেকা উপত্যকা আৰু দক্ষিণ লেবাননত অৱস্থিত অস্ত্ৰ-শস্ত্ৰ উৎপাদন আৰু মজুত কৰা কেইবাটাও গুৰুত্বপূৰ্ণ স্থানত ইয়াৰ বায়ু সেনাবাহিনীয়ে আক্ৰমণ কৰে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰায়েল কাৎজে এটা সুকীয়া বিবৃতিযোগে কয় যে এনে আক্ৰমণৰ লক্ষ্যসমূহৰ এটা অন্যতম স্থান আছিল লেবাননত থকা হিজবুল্লা গোটৰ এটা বৃহৎ ক্ষেপনাস্ত্ৰ উৎপাদনস্থলী।

০০০০০০০

লণ্ডনৰ কেনিংটন অভেলত অনুষ্ঠিত এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফী  টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ কালি প্ৰথম দিনা সংগ্ৰহ কৰা ২০৪ ৰাণৰ পৰা ভাৰতে আজিৰ দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই খেলখনত ভাৰত বিপৰ্যয়ৰ সন্মুখীন হৈছে। কালি প্ৰথম দিনা দলটোৱে কৰুণ নায়াৰৰ অৰ্ধ শতকৰ সহায়ত ৬টা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ২০৪ ৰাণ সংগ্ৰহ কৰে। ছাই সুদৰ্শনে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। দিনান্তত কৰুণ নায়াৰ ৫২ আৰু ৱাশ্বিংটন সুন্দৰ ১৯ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। নায়াৰ আৰু সুন্দৰৰ যুটীয়ে ৮৮টা বলত ৫১ ৰান সংগ্ৰহ কৰে।

ইংলেণ্ডৰ হৈ গ'ছ এট্‌কিংছন আৰু জোচ টঙে দুটাকৈ উইকেট দখল কৰে। খেলখনত বৰষুণে দুবাৰকৈ বিধি পথালি দিয়ে যদিও খেলৰ সময় কিছু বৃদ্ধি কৰা হয় আৰু কালিৰ দিনটোত মুঠ ৬৪ অভাৰৰ খেল হয়। ইয়াৰ পূৰ্বে ইংলেণ্ড টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে শৃংখলাটোত ভাৰত সম্প্ৰতি ১-২ ফলাফলত পিছ পৰি আছে।

ooooooo

সমাপ্ত